**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-11-2024 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ লগতে অসম সহ ১৫খন ৰাজ্যৰ ৪৮টা বিধানসভা আৰু দুটা লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে লাওছৰ ভিয়েনটিয়ানত কৰা তিনিদিনীয়া ভ্ৰমণৰ আজি অন্তিম দিনা জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল নিকাটানিক সাক্ষাৎ কৰে।

৪। ভাৰতৰ চিৰাগ চেট্টী আৰু সাত্বিকছাইৰাজ ৰণকীৰেড্ডিৰ যুটীটো চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

আৰু

৫। অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী টেষ্টৰ প্ৰথমখন খেলৰ আজি প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত ৭ উইকেটৰ বিনিময়ত ৬৭ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০০০

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ লগতে অসম সহ ১৫খন ৰাজ্যৰ ৪৮টা বিধানসভা আৰু দুটা লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। ভোটগণনা প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাভাবে সম্পন্ন কৰাৰ বাবে নিৰ্বাচন আয়োগ আৰু জিলা বিষয়াসকলে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

অসমৰ বঙাইগাঁও, ছিদলী, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ পুৱা ৮ বজাত আটাইকেইটা সমষ্টিত একেলগে ভোটগণনা আৰম্ভ হ'ব। ভোটগণনাৰ বাবে ৮ টা হল সাজু কৰা হৈছে। ইয়াৰে ই ভি এমৰ ভোটগণনাৰ বাবে মুঠ ৬৮ খন টেবল সাজু কৰি তোলা হৈছে। ভোটগণনা প্ৰক্ৰিয়াত ৩৫০ গৰাকী চৰকাৰী বিষয়া-কৰ্মচাৰীক নিয়োজিত কৰা হৈছে। কাইলৈ প্ৰথমে প'ষ্টেল বেলট আৰু ৮৫ বছৰ বয়সৰ উৰ্ধৰ লোকসকলে ঘৰতে ভোটদান কৰা বেলটবোৰ গণনা কৰা হ'ব। তাৰ পাছতে ই ভি এমৰ ভোটগণনা আৰম্ভ হ'ব। সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে কাইলৈৰ ভোট গণনাৰ বাবে কেন্দ্ৰসমূহত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰিছে। এই সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাঁচদিনীয়া নাইজেৰিয়া, ব্ৰাজিল আৰু গায়েনা ভ্ৰমণৰ সময়ছোৱাত বিশ্ব নেতাসকলৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হয়। শ্ৰীমোদীয়ে এই ত্ৰিদেশীয় ভ্ৰমণ কালত ৩১খন দ্বিপাক্ষিক বৈঠকৰ লগতে বিশ্ব নেতাসকলৰ সৈতে অনানুষ্ঠানিক আলোচনাতো মিলিত হয়। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে নাইজেৰিয়াৰ তিনিখন, ব্ৰাজিলত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ অৱসৰত ১০খন আৰু গায়েনাত ৯খন এনে বৈঠকত ভাগ লয়। ব্ৰাজিলত প্ৰধানমন্ত্ৰীয়ে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰোবোৱো ছুবিয়াণ্টো, পৰ্তুগালৰ প্ৰধানমন্ত্ৰী লুইছ মণ্টেনেগ্ৰো, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰ্মাৰ, চিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়েল বোৰিক আৰু আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেৱিয়াৰ মাইলিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ইয়াৰ উপৰি শ্ৰীমোদীয়ে ছিংগাপুৰ, দক্ষিণ কোৰিয়া, ইজিপ্ত, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু স্পেইনৰ নেতা আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ মুৰব্বী আৰু বিষয়াসকলৰ সৈতে অনানুষ্ঠানিক বৈঠকত ভাগ লয়।

০০০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানলৈ সহায় সমৰ্থন আগবঢ়োৱাৰ উদ্দেশ্যে বেনাৰস হিন্দু বিশ্ববিদ্যালৰ আৰু শিক্ষা মন্ত্ৰালয়ে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। নতুন দিল্লীত সম্পাদিত এই চুক্তি অনুসৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী স্বাস্থ্য সুৰক্ষা আঁচনিৰ অধীনত স্থাপন কৰা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানসমূহৰ লেখিয়াকৈ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানলৈ সাহায্য আগবঢ়াব পাৰিব। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডা আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান চুক্তি সম্পাদন অনুষ্ঠানত উপস্থিত আছিল।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে অপৰাধৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ অধীনত দিল্লীৰ আইন-শৃংখলাৰ ক্ষেত্ৰত কোনো শিথিলতা সহ্য নকৰে বুলি গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। গৃহমন্ত্ৰীয়ে আজি দিল্লী আৰক্ষীৰ সৈতে এখন বৈঠকত মিলিত হয় আৰু আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন, চোৰাংচোৰা ব্যুৰোৰ সঞ্চালক তপন ডেকা, দিল্লী আৰক্ষীৰ আয়ুক্ত আৰু অন্য জ্যেষ্ঠ বিষয়াসকল বৈঠকত উপস্থিত থাকে। শ্ৰীশ্বাহে কয়, যে দিল্লীৰ জনসাধাৰণক সম্পূৰ্ণ ৰূপে নিৰাপদ অনুভৱ কৰোৱাটো প্ৰতিগৰাকী আৰক্ষী কৰ্মীৰ ব্যক্তিগত দায়িত্ব। তেওঁ কয়, যে দিল্লী আৰক্ষীয়ে শিশু, মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ সুৰক্ষাত অগ্ৰাধিকাৰ দিয়া উচিত।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে লাওছৰ ভিয়েনটিয়ানত কৰা তিনিদিনীয়া ভ্ৰমণৰ আজি অন্তিম দিনা জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল নিকাটানিক সাক্ষাৎ কৰে। শ্ৰী সিঙে সামাজিক মাধ্যমযোগে কয়, যে জেনেৰেল নিকাটানিৰ সৈতে তেওঁৰ আলোচনা ফলপ্ৰসূ আছিল। শ্ৰী সিঙে দুয়োখন দেশৰ মাজৰ সহযোগিতাই মুক্ত, স্বতন্ত্ৰ আৰু নিয়ম আধাৰিত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল সুনিশ্চিত কৰাত গুৰুত্বপূৰ্ণ

ভূমিকা পালন কৰিব বুলি আশা ব্যক্ত কৰে। শ্ৰী সিঙে লগতে ফিলিপাইন্‌ছ্‌ৰ প্ৰতিৰক্ষা সচিব গিলবাৰ্টো টেওডুৰোকো সাক্ষাৎ কৰে। তেওঁ কয়, যে ফিলিপাইন্‌ছ্‌ আমাৰ এক্ট-ইষ্ট নীতি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভঙ্গীৰ গুৰুত্বপূৰ্ণ অংশীদাৰ। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে দেশখনৰ সৈতে প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰি তুলিবলৈ ভাৰত বদ্ধপৰিকৰ বুলি মন্তব্য কৰে।

০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে কোনো পৰিয়ালৰ একমাত্ৰ কন্যা শিশুৰ মেধা বৃত্তি আঁচনিৰ বাবে যোগ্য শিক্ষাৰ্থীক অনলাইন আবেদন কৰিবলৈ আহ্বান জনাইছে। শিক্ষা পৰিষদে জনোৱা অনুসৰি ২০২৪ চনত চি বি এছ্‌ ই'ৰ পৰা দশম শ্ৰেণীত উত্তীৰ্ণ হৈ চি বি এছ্‌ ই'ৰ অন্তৰ্গত বিদ্যালয়ত একাদশ শ্ৰেণীত অধ্যয়ন কৰি থকা কোনো পৰিয়ালৰ একমাত্ৰ ছাত্ৰীয়ে এই বৃত্তি আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। লগতে ২০২৩ চনত প্ৰদান কৰা মেধা বৃত্তি আঁচনিৰ নবীকৰণৰ বাবেও অনলাইন আবেদন কৰিবলৈ আহ্বান জনাইছে। আবেদন দাখিলৰ শেষ তাৰিখ অহা ২৩ ডিচেম্বৰ ধাৰ্য কৰা হৈছে। শিক্ষাৰ্থীসকলে মেধা বৃত্তি আঁচনিৰ সবিশেষ তথ্য তথা প্ৰপত্ৰ চি বি এছ্‌ ই ৱেবছাইটত লাভ কৰিব পাৰিব।

০০০০০০০

ভাৰতৰ চিৰাগ চেট্টী আৰু সাত্বিকছাইৰাজ ৰণকীৰেড্ডিৰ যুটীটো চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰবেশ কৰিছে। চিৰাগ আৰু সাত্বিকছাইৰাজৰ যুটীটোৱে আজি কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ প্ৰতিদ্বন্দ্বীক ২১-১৬, ২১-১৯ গেমত পৰাস্ত কৰে। ইপিনে, পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত লক্ষ্য সেন সম্প্ৰতি ডেনমাৰ্কৰ এণ্ডাৰ্ছ এণ্টেনছেনৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০০

অষ্ট্ৰেলিয়াই ভাৰতৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত ৭ উইকেটৰ বিনিময়ত ৬৭ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ যশপ্ৰীত বুমৰাই চাৰিটা উইকেট দখল কৰে। মহম্মদ চিৰাজে দুটা আৰু হৰ্ষিত ৰাণাই এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতীয় বেটছমেনসকলে অষ্ট্ৰেলিয়াৰ বেগী বলাৰৰ সন্মুখীন হৈ বিপৰ্যয়ৰ সন্মুখীন হয়। ভাৰতে টছ্‌ত জিকি প্ৰথমে বেট ধৰি প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫০ ৰানহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ টেষ্ট ক্ৰিকেটত অভিষেক ঘটা নীতিশ কুমাৰ ৰেড্ডীয়ে সৰ্বাধিক ৫৯টা বলত ৪১ ৰাণ সংগ্ৰহ কৰে। ঋষভ পণ্টে ৩৭ আৰু কে এল ৰাহুলে ২৬ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ হৈ হেজেলউডে ২৯ ৰান দি চাৰিটা আৰু মিচেল ষ্টাৰ্ক আৰু পে'ট কামিংছে দুটাকৈ উইকেট সংগ্ৰহ কৰে।

০০০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পৰৱৰ্তী তিনিটা সংস্কৰণৰ সূচী ঘোষণা কৰিছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আই পি এলৰ ২০২৫ বৰ্ষৰ সংস্কৰণ ১৪ মাৰ্চৰ পৰা ২৫ মে'লৈ, ২০২৬ বৰ্ষৰ সংস্কৰণ ১৫ মাৰ্চৰ পৰা ৩১ মে'লৈ আৰু ২০২৭ বৰ্ষৰ সংস্কৰণ ১৪ মাৰ্চৰ পৰা ৩০ মে'লৈ অনুষ্ঠিত হ'ব।

২০২৫ বৰ্ষৰ আই পি এলত মুঠ ৭৪খন খেল অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত